ৰাজ্যিক কাৰ্য্যালয়

# ভাৰতীয় জনতা পাৰ্টি ঃঃ অসম প্ৰদেশ

"অটল বিহাৰী বাজপেয়ী ভৱন"

Hengrabari, Guwahati - 781 036 :: Tel - 0361-2355522, Fax - 2359936 :: Email- bjp.guwahati@gmail.com

প্ৰেছ বিজ্ঞপ্তি

## ভূতপূৰ্ব প্ৰধানমন্ত্ৰী বাজপেয়ী ডাঙৰীয়াক 'অভূতপূৰ্ব' আখ্যা ৰণজিৎ কুমাৰ দাসৰ শঙ্কৰদেৱ কলাক্ষেত্ৰত ৰাজ্যচৰকাৰৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

২৭ আগষ্ট, ২০১৮ঃ দেশৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী, ভাৰত-ৰত্ন, অসম হিতৈষী অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াক 'অভূতপূৰ্ব' প্ৰধানমন্ত্ৰী হিচাপে অভিহিত কৰিছে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সভাপতি শ্ৰীযুত ৰণজিৎ কুমাৰ দাস ডাঙৰীয়াই। দেশৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী গৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাবৰ বাবে অসম চৰকাৰে আজি শ্ৰীমন্ত শঙ্কৰ দেৱ কলাক্ষেত্ৰত অনুষ্ঠিত কৰা ৰাজহুৱা শ্ৰদ্ধাঞ্জলি তৰ্পণ অনুষ্ঠানত আধুনিক ভাৰতৰ খনিকৰ, ভাৰতীয় জনতা পাৰ্টিৰো প্ৰতিষ্ঠাতা মহীৰূহ বাজপেয়ী ডাঙৰীয়াৰ সান্নিধ্যৰ স্মৃতিচাৰণ কৰি সভাপতি গৰাকীয়ে মহীৰূহ গৰাকীক সমকালিন সময়ৰ এগৰাকী মহাপুৰুষ হিচাপে অভিহিত কৰে। আচৰণৰ মধুৰতা, ব্যক্তিত্বৰ বিশালতা আদি সকলো ক্ষেত্ৰতে ব্যতিক্ৰম বাজপেয়ী ডাঙৰীয়াৰ সকলো পদক্ষেপেই 'অভূতপূৰ্ব' বুলি দোহাৰি সভাপতি শ্ৰীযুত ৰণজিৎ কুমাৰ দাস ডাঙৰীয়াই প্ৰাক্তন প্ৰধানমন্ত্ৰী গৰাকীয়ে অসম তথা উত্তৰ পূবৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সমূহৰ ওপৰত আলোকপাত কৰে।

অসমৰ মহামহিম ৰাজ্যপাল অধ্যাপক জগদীশ মুখী আৰু মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ লগতে ৰাজ্যৰ ভালেকেইগৰাকী জ্যেষ্ঠ মন্ত্ৰী, সাংসদ-বিধায়ক সকল, বিভিন্ন নিগম-নিকায়ৰ অধ্যক্ষ- উপাধ্যক্ষ সকল, বিভিন্ন ৰাজনৈতিক-অৰাজনৈতিক দল-সংগঠনৰ নেতৃবৰ্গয়ো মহীৰূহ গৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়।

(প্ৰণৱ শইকীয়া)
প্ৰচাৰ সচিব
(মাননীয় সভাপতিৰ প্ৰচাৰ)
ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশ

Scanned by CamScanner